আজিৰ সংখ্যাৰ সৈতে
...ৰ্বোকাশ
বিনামূলীয়াকৈ আগবঢ়োৱা হৈছে।

# অসম আদিত্য

RNI REGN. No. : ASSA...
epaper.asomadi...
Portal : www.asom...
e-mail : asomaditya...

...া ১৬ ■ ৪ মাঘ, ১৯৪৭ শক ■ দেওবাৰ, ১৮ জানুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, January 18, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■

স্বাস্থ্য...
দৈত ভাল বেক্টেৰিয়া থা...
সুস্থ কৰি ৰখাত সহায় ক...
লগত ইয়াক সেৱন ক...
শক্তি পোৱাৰ লগতে...
কোষ্ঠকাঠিন্যৰ সমস...

### জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ-তিনিচুকীয়াত শাখা সাহিত্য সভাৰ শিল্পী দিৱসত অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# শিল্পই কেৱল মনোৰঞ্জন নিদিয়ে ই সমাজক সংস্কাৰ কৰে




**তিনিচুকীয়া, ১৭ জানুৱাৰী ঃ** শিল্পই কেৱল মনোৰঞ্জন নিদিয়ে, ই সমাজ সংস্কাৰ কৰে, আজিৰ যুৱ প্ৰজন্মই জ্যোতিপ্ৰসাদৰ বিপ্লৱী সত্তাক চিনি পোৱা জৰুৰী। জ্যোতিপ্ৰসাদ আছিল এজন যুগ স্ৰষ্টা, অমৰ শিল্পী।— অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া আঞ্চলিক সমিতি আৰু তিনিচুকীয়া শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত শিল্পী দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট স্তম্ভ লেখক, সাহিত্যিক, কবি তথা ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। তিনিচুকীয়াৰ চেনাইৰাম বৰ্ডিং খেলপথাৰত অনুষ্ঠিত শিল্পী দিৱসত অধ্যক্ষগৰাকীয়ে কয়— বিশ্বৰ জ্যোতিপ্ৰসাদৰ সমসাময়িক শিল্পীসকলে যেতিয়া সংগীতক এক গোলকীয় উদ্যোগ হিচাপে প্ৰতিষ্ঠা কৰিছিল, সেই সময়ত জ্যোতিপ্ৰসাদ আগৰৱালাই সংগীতক, শিল্পক এটা জাতিৰ পৰিচয় গঢ়াৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁ কয়— জ্যোতিপ্ৰসাদ আগৰৱালাৰ মনটো আছিল এখন বৈ থকা নদীৰ দৰে। সেই নদীত সংগীত, সাহিত্য, নাটক, চিনেমা আৰু জাতিৰ চেতনা একেলগে বৈ গৈছিল। দিনৰ ১০ বজাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ তিনিচুকীয়া আঞ্চলিক সমিতিৰ সভাপতি হিমাংশু গগৈৰ পতাকা উত্তোলন আৰু দিনৰ ১০.৩০ বজাত সাধাৰণ সম্পাদক নয়ন গগৈৰ স্মৃতি তৰ্পণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত জ্যোতি প্ৰসাদ আগৰৱালাৰ এনে চেতনাই অসমক অনন্য শক্তি দিছিল বুলি উল্লেখ কৰি তেওঁ কয়— জ্যোতিপ্ৰসাদৰ সপোনৰ অসমখন আজি দ্ৰুত গতিত চলা এখন ৰে'লগাড়ী যাৰ গন্তব্য আছে কিন্তু সেই ৰে'লৰ লক্ষ্য অস্পষ্ট। ৮ পৃষ্ঠাত